**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলে ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে এখন জাননীৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি ১৩ নৱেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। শিক্ষক পদৰ প্ৰাৰ্থীসকলক নিজৰ পৰিচয় পত্ৰসহ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদ অস্থায়ীভাৱে কটন বিশ্ববিদ্যালয়ৰ সমীপৰ জি এ ডি ভৱনলৈ স্থানান্তৰৰ বিৰোধিতাৰে আজি গুৱাহাটী উকীল সন্থাৰ উদ্যোগত অধিবক্তাসকলে আদালত বৰ্জন কাৰ্যসূচী গ্ৰহণ কৰিব। আদালত চৌহদ স্থানান্তৰৰ বিৰোধিতা কৰি কালি অধিবক্তাসকলে এটা প্ৰতিবাদী সমদল কাৰ্যসূচী গ্ৰহণ কৰে। পুৰণি আদালত চৌহদৰ পৰা এই সমদল কটন বিশ্ববিদ্যালয়ৰ সন্মুখেৰে গৈ গুৱাহাটী উচ্চ ন্যায়ালয় হৈ পুৰণি আদালত চৌহদলৈ ঘূৰি আহে। অধিবক্তাসকলে অস্থায়ীভাৱে আদালত অন্য স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ দাবী জনায়।

০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কালি কমনৱেল্থ সংসদীয় সংস্থা চি পি এ-ৰ ২২ সংখ্যক বাৰ্ষিক সন্মিলনৰ কোহিমাৰ নাগালেণ্ড বিধানসভাত আয়োজিত তৃতীয় আঞ্চলিক মণ্ডলৰ কাৰ্যসূচী উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীবিৰলাই কয়, যে উত্তৰ-পূৰ্বাঞ্চল চহকী-সংস্কৃতি, বৈচিত্ৰ্য আৰু শক্তিশালী গণতান্ত্ৰিক প্ৰমূল্যৰ বাবে জনাজাত। তেওঁ কয়, যে এই অঞ্চলটোৱে সক্ৰিয় গণতান্ত্ৰিক ব্যৱস্থা তথা যোগাযোগ আন্তঃগাঁথনি আৰু বিভিন্ন ক্ষেত্ৰত সুযোগ বৃদ্ধিৰ দিশত অবিৰতভাৱে উন্নতি কৰিছে। তেওঁ লগতে সংসদক গণতান্ত্ৰিক ব্যৱস্থাৰ মূল কেন্দ্ৰ বুলি অভিহিত কৰে। এই সন্মিলনে বিধানসভা সমূহৰ কাম-কাজ আৰু দক্ষতাক প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে।

বাইট

লোকসভাৰ অধ্যক্ষগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিধানসভাসমূহক তেওঁলোকৰ একতা আৰু আঞ্চলিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি তথা সৰ্বাত্মক বিকাশ আৰু উন্নয়নৰ লক্ষ্যৰে নীতি প্ৰণয়ন কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ লগতে প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ দ্বাৰা প্ৰশাসনত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধিৰে আঞ্চলিক উন্নয়ন আৰু ঔদ্যোগিক বিকাশ সুনিশ্চিতকৰণৰ দিশত গুৰুত্ব দিয়ে। শ্ৰীবিৰলাই কয়, যে এই অঞ্চলটোৰ অধিকাংশ বিধানসভাৰ কাম-কাজ কাকতবিহীন হৈ উঠাৰ লগতে কেতবোৰ সু-অভ্যাসৰ বিনিময়ৰ ফলত বিধানসভাৰ কাম-কাজ কম পৰিমাণে বিঘ্নিত হোৱাৰ বাবে দৃষ্টান্তৰ সৃষ্টি হৈছে। এই অনুষ্ঠানত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই নিজৰ ভাষণত বিধানসভাসমূহে সংসদীয় গণতন্ত্ৰ আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ আদৰ্শত আস্থা ৰখা উচিত বুলি উল্লেখ কৰে। চি পি এ-ৰ এই অনুষ্ঠানে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত নীতি প্ৰণয়নৰ হকে উৎসাহিত কৰিব বুলিও তেওঁ উল্লেখ কৰে।

oooooo

ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে জনজাতীয় গৌৰৱ বৰ্ষ উদযাপন কৰা হৈছে। কামৰূপ জিলাৰ ছয়গাঁৱৰ পাণ্টান উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত দিনৰ ২ বজাত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত জনজাতীয় পৰিয়ালত ভূমি স্বত্ব-পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনজাতীয় পৰিয়ালক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ভূমি স্বত্ব পত্ৰ বিতৰণ কৰিব। কামৰূপ জিলা প্ৰশাসনৰ সৌজন্যত আৰু জনজাতি পৰিক্ৰমা ভৈয়াম, বিভাগৰ সহযোগত জনজাতীয় গৌৰৱ বৰ্ষ পষেক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাকে ধৰি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰিব।

oooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ নেচনেল স্পেছ ছাইন্স ছিম্ফোজিয়ামৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালি এখন বিশেষ প্ৰচাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰচাৰ কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ইছৰোৰ নেচনেল স্পেছ ছাইন্স ছিম্ফোজিয়ামৰ উদ্যোগত শ্বিলঙৰ নৰ্থ-ইষ্ট স্পেছ এপ্লিকেছন চেণ্টাৰত ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত হ'বলগীয়া আলোচনা চক্ৰত উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প উপস্থাপন কৰিবলৈ সুযোগ প্ৰদান কৰা হ'ব। এই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ইছৰোৰ ড০ অৰূপ বুঢ়াগোঁহাইসহ দুজনীয়া বিজ্ঞানীৰ দলৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ কল্যাণ ভূঞাকে ধৰি উপস্থিত সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ হোৱাকৈ বিশেষ সজাগতামূলক ভাষণ দিয়ে।

oooooo

অসম চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ অধীনত ঢকুৱাখনা সমষ্টিৰ ঘিলামৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ঘিলামৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত কালি ১৯৪ গৰাকী বিশেষভাৱে সক্ষম আৰু বয়োজ্যেষ্ঠ ব্যক্তিৰ মাজত নিত্য ব্যৱহৃত সা-সৰ্জুঁলি বিতৰণ কৰা হয়। বৰদৈবাম গাঁও পঞ্চায়ত সভাগৃহত আয়োজিত অনুষ্ঠানত আৰ ভি ৱাই আৰু এ ডি আই পি আঁচনিৰ জড়িয়তে এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক নৱকুমাৰ দলেকে ধৰি স্থানীয় পঞ্চায়তৰ কেইবাগৰাকীও নেতা আৰু সদস্যৰ লগতে হিতাধিকাৰীসকলো উপস্থিত থাকে।

oooooo

সমাপ্ত